হাফিজের সুর



হাফিজৰ সুৰ

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা
যোৰহাট।

শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বি-এলৰ
পাতনিৰ সৈতে।

দাম—১৲ চাৰি মহা মাত্ৰ।

প্ৰকাশক—শ্ৰীপ্ৰেমধৰ বাজখোৱা
যোৰহাট।

প্ৰথম সংস্কৰণ, ১০ আহিন, ১৮৫৫
শাৰদীয়া সপ্তমী
২৬।৯।৩৩

দ্বিতীয় সংস্কৰণ, বহাগ-বিহু, ১৮৭২
১৪।৪।৫০

যোৰহাটৰ বাতৰি প্ৰেছত ছাপা কৰা হ'ল।

২য় সংস্কৰণৰ কথা

আজি প্ৰায় ষোল বছৰৰ পাছত "হাফিজৰ সুৰ"ৰ দ্বিতীয় সংস্কৰণ সাহিত্যিক সমাজলৈ আগবঢ়োৱা হ'ল। এই সংস্কৰণত দুই এটি শব্দ সলনি কৰা হ'ল। পাঠক সকলক অনুৰোধ যেন "হাফিজৰ সুৰ" হুবহু অনুবাদ বুলি নধৰে। হাফিজৰ সুৰত সুৰ মিলাই মূল ভাবটিৰ অসমীয়া ৰূপ দিয়া হৈছে—এইবাবে গ্ৰন্থখনিৰ নাম হাফিজৰ সুৰ দিয়া হ'ল।

চিত্ৰশিল্পী শ্ৰীলোহিত বৰুৱাই ঢাকনি পিঠিৰ ছবিটি আঁকি দিয়া বাবে ধন্যবাদ জনোৱা হ'ল। ইতি—

যোৰহাট, ছোলাধৰা।
১ বহাগ, ১৮৭২ শক } শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

হাফিজ মদিৰা

মনত পৰিছে যেন মযেই এদিন
পাৰস্যৰ পৰিমল, মদিৰাৰ ধাৰ—
অতৃপ্ত ৰসনা লৈ কৰিছিলো পান;
বুল্‌বুল্‌-সঙ্গীতেৰে মোহিছিলো প্ৰাণ!

খায়্যাম-হাফিজ যেন আছিলো মযেই—
দীঘল দৰবীয়া বেশ, মুদা মুদা চকু,
সপোন-কুহেলি সনা মুখৰ বৰণ;
প্ৰেমময় আবেশত উল্লসিত মন।

ছোৱাহী বাগৰি যোৱা আঙুৰ ৰসৰ
মোলায়েম ৰহনত মতলীয়া হৈ—
গছে-পাতে, বনে বনে দেখিছিলো যেন
এই যায়-আবেগৰ এনে এটি বেশ!

আনাৰ-কলিৰ যেন গঠন এটিত
দেখিছিলো ৰহস্যৰ সাগৰ এখন!
আকাশত উড়ি ফুৰা কথাটি মনৰ
আছিল একোটি বে'শ প্ৰিয়া-সঙ্গীতৰ!

মযে যেন চিৰাজীৰ বাগী মিহলাই
কবিতাৰ কোমলতা দিছিলো বিলাই!

যোৰহাট
চন্দ্ৰ-গ্ৰহণ; ৯ আহিন; ১৮৫৩

পাতনি

দাৰ্শনিক ব্যাখ্যা কৰি পণ্ডিতসকলে জীৱনৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যি প্ৰচেষ্টা কৰে কবিৰ এই কবিতা কেইআষাৰো সেই প্ৰশ্নৰে এটি মীমাংসা। জীৱন ক্ষন্তেকীয়া। দিনে দিনে এই জগতৰ সকলো জড়জীৱৰ পৰিবৰ্ত্তন হ'ব লাগিছে। পলে পলে আয়ুসৰ জৰীডালৰ পৰাও ইখাপ সিখাপ স্খলি পৰিছে। তাৰোপৰি :—

এই জীৱনত দুখৰ বাহিৰে
নাপালো একোকে বস্তু আন;
ছাই এৰিলেও নেৰিলে বিষাদে,
সেয়ে হ'ল মোৰ মৰ্ম্ম-থান।

এনেয়ে সংক্ষেপ কাল ডোখৰ, তাতে আকৌ দুখ-শোক জৰা-মৃত্যুৰ উৎপীড়ন। দুঃখবাদ মানুহৰ অদৃষ্টৰ লিখন। এই কঙাল বিশ্বত দুখ সাগৰত ডুব গৈ আমাৰ চমুজীৱনটো আধ্যা পেলাবৰ উপক্ৰম কৰিছো। ইহাতে :—

ধাৰে অনা এই জীৱনো যে মোৰ
বুদ্ধি শাংতে বন্দী সদায়।

দুখ-শোকেৰে ভৰা দুটা দিনো ধন, সোণ আৰু জ্ঞান বুদ্ধিৰ চিন্তাত পীড়িত।. জ্ঞান বুধিয়ে

আঁচনি কৰি দিয়া জীৱন প্ৰণালীৰ অনুসৰণ কৰি মন শান্তিপূৰ্ণ নহ'ল। ধন-বস্ত্ৰ আৰু জ্ঞান বুদ্ধিৰ অসীম হেঁপাহে দুগুণে হেঁপেহুৱা কৰিলে।

এয়েই তেওঁৰ জীৱনৰ স্বৰূপ নিৰ্ণয়। তাৰ পিচত কবিৰ মনলৈ প্ৰশ্ন উঠিল—যি আনন্দৰ সন্ধানত মন ব্যাকুল, যি আনন্দৰ পৰা "খল্বিমানি ভূতানি জায়ন্তে" আৰু যাক আশ্ৰয় কৰি তাপিতৰ হিয়া শীতল পৰে সেই আনন্দ লাভৰ উপায় কি?

ঈশ্বৰবাদী সকলে তেতিয়া উত্তৰ দিয়ে যে তুমি আৰু মই এই দুই ভাব মথিমুৰ কৰি তোমাতেই যেতিয়া লীন হ'ম, তোমাৰ আৰু মোৰ মাজত ভিন্ন ভাবৰ যেতিয়া উচ্ছেদ হব, তুমি আৰু মই এই দুই সংজ্ঞা যেতিয়া লোপ পাব, তেতিয়া "সোহহম্" ভাবৰ বিকাশ সম্পূৰ্ণ হ'ব আৰু তাৰ ফল স্বৰূপে ভক্ত আৰু ভগবান উভয়ে এক হৈ আনন্দৰ বিকাশ কৰিব। এই কবিয়েও আনন্দ লাভৰ প্ৰবল আকাঙ্ক্ষা বুকুত বান্ধি লৈ তাৰ সন্ধানত মতলীয়া হৈছে। ভাল বেয়াৰ বিচাৰে কবিক কোঙা কৰি থলে এই আনন্দ লাভ আৰু নহয়।

পৃথিবীৰ যদি ভাল বেয়াখিনি
দিয়া পাহৰাই বলিয়া কৰি,
থানিব পাৰিম মন্নেই অকলে
দৃষ্টি চেচোৰ পমটি ধৰি।

ভক্ত ভগবানৰ যি সমন্বয়, প্ৰেৰণা আৰু কবিৰ সংমিশ্ৰনতো তেনে এটা state of equipoise ৰ উদ্ভৱ হল। সেই সমন্বয় অৱস্থাত কবিৰ একাগ্ৰতাৰ চৰম স্থান লাভ হল। দুখ যন্ত্ৰণা জৰা-মৃত্যুৰ ভয়াবহ চিত্ৰই তেতিয়া তেওঁক ভুৱা দিব নোৱাৰে। যি আনন্দক আশ্ৰয় কৰি এই নৱ-জীৱনে হাবাথুৰি খাই ফুৰে কবিৰ সেইহেন আনন্দ লাভ হ'ল। যি আনন্দৰ সন্ধানত ভক্তসকল ব্যাকুল, যাৰ অন্বেষণত অভিলাষী মন উৎপীড়িত কবিৰ মানত সেই আনন্দৰ সৃষ্টিকাৰক হৈছে কল্পনা। এই আনন্দৰ উপভোগত কবিয়ে জীবনৰ চৰম স্থান লাভ কৰি আনন্দ লাভৰ প্ৰত্যাশীক কৈছে :—

হাঁহিবে ওপচা আনন্দ গানত
মত্ত হ'বৰ সময় হ'ল ;
পিয়লা মদিৰা, বেথাৰ মিতিৰ
টোকাৰীৰ স'তে ওলাই ব'ল।

কবিৰ এই ব্যাখ্যাত এপিকিউৰিয়ানসকলৰ প্ৰতিপত্তি দেখা যায়। কবিয়ে প্ৰবৃত্তি মাৰ্গৰ পথ অনুসৰণ কৰি মানৱ জীৱনৰ চৰম আকাঙ্ক্ষা লাভৰ এটি প্ৰণালীৰ পৰিচয় দিয়ে। কিন্তু কবিয়ে ক'ৰ নোখোজে

যে আনন্দ লাভৰ তেওঁ যি পথ নিৰ্দ্দেশ কৰে সেই পথ প্ৰত্যেক আনন্দ প্ৰত্যাশীৰেই অনুসৰণীয়। মুঠ কথা কবিয়ে কয়:—“জীৱন দুদিনীয়া। এই দুদিনতে আনন্দ লাভ কৰিব লাগিব। আনন্দৰ সন্ধানত মন উন্মত্ত হৈছে। কাব্য-ৰস পান কৰি আৰু আত্মহাৰা হৈ যি সমাৱস্থা পাইছো তাতেই মোৰ আনন্দ লাভ হৈছে।” কিন্তু কি প্ৰণালীৰে পঢ়ুৱাইসকলে আনন্দ লাভৰ অনুসৰণ কৰিব তাৰ নিৰাকৰণ নাই। চমুৱাই কবলৈ গলে আনন্দ লাভ হ'লে কেনে সাম্যৱস্থাৰ সৃষ্টি হয় কবিৰ বৰ্ণনা তাৰে পৰিচায়ক। কিন্তু এই অঙ্কিত প্ৰণালীয়েই প্ৰকৃষ্ট পন্থা বুলি কবিয়ে সমাধান কৰিবলৈ চেষ্টা কৰা নাই। পন্থা বিভিন্ন হওক কবিৰ তাত বক্তব্য নাই। আনন্দৰ প্ৰতি আকুলতা আৰু আনন্দ লাভত নিৰাময় অৱস্থা এই দুটি কথা এই কাব্যৰ ভিতৰেদি প্ৰতিপন্ন হৈছে।

শিৱসাগৰ
১৮ ভাদ, ১৮৫৫ শক

শ্ৰীলক্ষেশ্বৰ শৰ্ম্মা

নিবেদন

প্ৰাণী মাত্ৰই আনন্দাভিলাসী। বিশ্ব-প্ৰকৃতি খনেই আনন্দৰ অনন্ত সাগৰ। চৰাই-চিৰ্কতিৰ কোলাহল, পশু-পক্ষীৰ বিচৰণ, পুৱা-সন্ধ্যাৰ সমাবেশ, ঋতুৰ পৰ্য্যায়— এই সকলোবিলাকৰ মাজেদি বাজিব লাগিছে এটি সুৰ— আনন্দৰ। সেই আনন্দতে আত্ম-সমৰ্পণ কৰিবলৈ প্ৰাণী-কুল আকুল।

প্ৰাণী-শ্ৰেষ্ঠ মানুহে এই আনন্দৰ আদি-অন্ত বিচাৰে। ইয়াৰ ৰহস্যৰ দুৱাৰ মুকলি কৰিবলৈ উধাও হয়। কিন্তু যিসকল কবি, যিসকল ৰসিক, সেই সকলে এই আনন্দ বিচৰাৰ বাটকে জীৱনৰ সৰ্ব্বোত্তম উদ্দেশ্য বুলি তাতে প্ৰাণ উবুৰিয়াই দিয়ে।

তেতিয়া কবিয়ে গায়:—

পীয়ু পীয়ু ভাই ভাবুক সকল
হৰিনাম ৰস সাৰ।
যাক পায়া মহা মহন্তে কৰয়
মুকুতিকো পৰিহাৰ ॥—নাম-ঘোষা

এই অৱস্থাত কবি এজন Inspired mad-man (ভাবোন্মত্ত)। তেতিয়া তেওঁৰ আত্মা বিমুক্ত,—চিত্ত অতৃপ্ত। কবিৰ এই অতৃপ্ত চিত্তই বিচাৰি ফুৰে আত্মাৰ সঙ্গিনী এটি। এই সঙ্গিনীযেই 'আশা', আকাশ ব্যাপিনী আশা, বিশ্বপ্ৰকৃতিময়ী আশা। সেয়ে পৰমা শান্তি। এই আশাৰ পাছে পাছে উধাও হৈ লৰি যাওঁতেই কবিয়ে সৃষ্টি-ৰহস্যৰ দুৱাৰবিলাকৰ সোণৰ শিকলি জোকাৰি যায়। কবিৰ দৃষ্টি আৰু ক্ষমতাই যিমান পাৰে দুৱাৰ মেলি যায়। তাৰ মাজেদি সাধাৰণৰ চকুলৈ যি পোহৰ আহে, সেই জিলিঙণিৰ জিলমিল ৰহনত যিবিলাক ছবি ধৰা পৰে—সেয়ে কবিৰ দান। তাৰ ফলতে অ-কবিৰ হৃদয়ত মন্থৰ হৈ থকা আনন্দ তৰঙ্গায়িত হৈ উঠে। তাতে জীৱনৰ সকলো বেদনা মূৰ্ত্ত হৈ প্ৰাণত আনন্দৰ সোত বৈ যায়। কবিয়ে নিজে যি আনন্দ উপভোগ কৰেইনে, আনকো তাৰ ভাগ দি যায়। তেওঁবিলাক twice blessed দুবেলি ধন্য।

এনেকুৱা এজন অমৰ কবি পাৰস্য প্ৰতিভা হাফিজ। যি জনে সম্পূৰ্ণ কোৰআন কণ্ঠস্থ কৰিব পাৰে, তেওঁকে মুছলমানসকলে 'হাফিজ' বোলে। আমাৰ ভাষাৰে কবলৈ গলে—'বেদ-কণ্ঠ'। হাফিজৰ আচল

নাম আছিল শ্বামসুদ্দিন মোহম্মদ। ইৰাণৰ চিৰাজ নগৰৰ দাঁতিত মোছল্লা নামে গাঁৱত ইং চৌধ্ শতিকাৰ প্ৰথম ভাগত এখেতৰ জন্ম হয়। কাজী নজৰুল ইছলামে হাফিজৰ ৰুবাই অৰ্থাৎ চাৰি-শুৰীয়া কবিতা ৭৩ টা মূল ফাৰ্চীৰ পৰা বঙলালৈ অনুবাদ কৰি 'ৰুবাইয়াৎ-ই-হাফিজ' নামে কিতাপ এখনি আজি তিনি বছৰ মানৰ আগেয়ে প্ৰকাশ কৰে। আমাৰ অন্তৰঙ্গ বন্ধু আৰু বাণী-সম্মেলনৰ সহযোগী শ্ৰীযুত কৰুণাধৰ বৰুৱাই ১৮৫৩ শকৰ শাৰদীয় পূজা উপলক্ষে আমাক সেই 'হাফিজ' এঁখনি উপহাৰ দিয়ে। কবলৈ সন্তোষ লাগে যে, বন্ধুৰ সেই উপহাৰে আমাৰ প্ৰাণত হাফিজীয়া সুৰৰ জুই জ্বলালে। পাৰস্যৰ মনমোহা নগৰ চিৰাজে আহি অসমৰ গাঁৱলীয়া পঁজা 'বকুল-বন'ত থাপনা পাতিলেহি। এই কাৰণেই পাৰিপাৰ্শ্বিক অৱস্থা আৰু সুধী-সমাজৰ বিচাৰ আদি একোলৈকে অপেক্ষা নকৰি অসীম সাহসেৰে 'হাফিজৰ সুৰ' হাতত লৈ সেৱা জনাবলৈ প্ৰাণত আজি ইমান আবেগ।

যিজনে পাৰস্যৰ তীৰ্থ-জল আনি ইয়াৰ আগেয়েই 'চিৰ চেনেহী ভাষা জননী'ৰ পাৱ পখালি অসমীয়া সাহিত্যত ওমৰ-খায়য়ামৰ ধাৰাটি বোৱাই থৈছে—সেই

জনৰ প্ৰতি আন্তৰিক প্ৰীতি জনাই 'হাফিজৰ সুৰ' আগ বঢ়ালোঁ।

হাফিজৰ ভিতৰ সোমাই ৰস গ্ৰহণ কৰিবলৈ হলে তেওঁৰ 'সুৰা' আৰু 'চাকীৰ' লগত পৰিচয় হৈ লব লাগিব। হাফিজ আছিল সৌন্দৰ্য্য-পীয়া। য'তে তেওঁৰ কবি-দৃষ্টি পৰিছিল, যেনিয়েই অলপ প্ৰেৰণা পাইছিল, তাতে তেওঁৰ ভাৱ-প্ৰৱণ হিয়াই সত্যৰ সন্ধান পাইছিল। আকাশৰ নীল-পিয়লা উপচি যেতিয়াই জোণ-কণাৰ সুৰা আহি শ্যামলা ধৰণীৰ বুকুত নিজৰি পৰেহি, তেতিয়া আপোন পাহৰি হাফিজে আকাশ-পিয়লা হাতত লৈ থকা তেওঁৰ বাণী-প্ৰিয়াক সম্বোধন কৰে। তেতিয়াই তেওঁৰ কাব্যত তেওঁৰ তীব্ৰতা মদিৰাৰ ধাৰ যেন হৈ বৈ যায়। এই কাৰণেই 'চিৰাজী'ৰ সোঁত ইমান বেছি। প্ৰেৰণাৰ মদিৰাত উন্মত্ত নহলে কবিয়েই হওক বা ভক্তই হওক, কোনেও সাধনাত সিদ্ধিলাভ কৰিব নোৱাৰে। ৺শ্ৰীমাধৱদেৱে নাম-ঘোষাৰ শেহলৈ গাইছে :—

মুকুতি সুখক বঞ্চ কৰি,
হৰিনামে আনন্দত নাচে।
পুৰুষে (আত্মাৰ) সহিতে সখিত্ব কৰিয়া
চলয় হৰিৰ কাছে॥

এই অৱস্থাত সাধক আৰু পৰম পুৰুষৰ ভিতৰত প্ৰভেদ নাথাকে। তেতিয়া আত্মাৰ স্বৰূপ উপলব্ধি কৰি সাধক ভগবানত লীন হয়।

'চাকী' মানে পান-পাত্ৰৰ যোগান ধৰা সুন্দৰী। কিন্তু পাৰস্য কবিসকলে নিজৰ অন্তৰ্লীনা প্ৰেয়সী স্বৰূপিনী বাণীকে 'চাকী' বুলি সম্বোধন কৰিছে।

কবিৰ অন্তৰত যি ধাৰাটিয়ে ভাবৰ স্পন্দন তুলি কবিক অলক্ষিতে কেনিবা লৈ গৈ বাস্তৱ ৰাজ্যৰ আঁতৰত চিৰ সুন্দৰ ৰাজ্যত থৈ আহেগৈ সেই ধাৰাটি কেৱল অনুভৱৰ বথাহে। তাৰ মাধুৰ্য্য ইমান গোপন আৰু ইমান কোমল যে ভাষাই তাৰ ৰূপ দিব নোৱাৰে।

বাইবোলৰ এঠাইত কৈছে,—"Pleasant words are as an honey-comb, sweet to the soul and health to the bones." (প্ৰীতিদায়ক শব্দ মৌ-চাক্ যেন। ই প্ৰাণক তৃপ্ত আৰু হাড়ক স্বাস্থ্য দিয়ে।) হিন্দুৱেও শব্দক ব্ৰহ্ম বোলে। নিৰক্ষৰ অসমীয়া গাঁৱলীয়া মানুহেও কয়—"আছে দান, নাই সমিধান।" হাফিজে কাব্যৰ ভিতৰেদি মানুহক এই সমিধান দি গৈছে।

ৰবীন্দ্ৰনাথে কয়—"মৃত্যু সত্য যেথানে জীবন অবৰুদ্ধ।" অৰ্থাৎ যেতিয়া সৃষ্টিৰ মাধুৰ্য্য গ্ৰহণ কৰিব

নোৱাৰি মানুহে সংসাৰখন এটা কাৰাগাৰ বুলি ধৰি লৈ নৈৰাশ্যৰ ওচৰত মূৰ দোঁৱায়, তেতিয়া মানুহৰ ওচৰত মৃত্যুৱেইহে সত্য বুলি প্ৰকাশ পায়। তেতিয়া মানুহে "অমৃতস্য পুত্ৰাঃ" বাণীটি পাহৰে। কিন্তু যিসকলে নিজৰ মাজত পৰমাত্মাৰ আভাস পায়, সেই সকলে গায়:—

"তুমি আমাৰ আপন তুমি আছ আমাৰ কাছে",...

আনন্দ-বিলাসী হাফিজে সৃষ্টি-ৰহস্যৰ আলোক ঝৰণাত স্নান কৰি অমিয়া পান কৰে। ইয়াত মৃত্যু নাই। জীৱন চিৰমুক্ত; সদায় সেউজীয়া।

কবিক চিনি পাবলৈ হলে বা কবিৰ সুৰটি কেনি বাজিছে ধৰা পেলাবলৈ হলে আগেয়ে কবিৰ প্ৰাণটি বিচাৰি উলিয়াব লাগিব। নহলে বাহিৰতে থাকি অকল গুঞ্জন শুনিয়েই উলটি আহিব লাগিব। হাফিজৰ 'সুৰা' আৰু 'চাকী'ক যদি সাধাৰণ "মদ' আৰু 'সখী' বুলি ধৰি লৈ ধ্বংসৰ মুখত আমি জীৱন উছৰ্গা কৰো,—তাৰ বাবে দায়ী হ'ম আমি নিজেহে।

অসমীয়া সাহিত্যতো ৰহস্য-বাদ আছিল আৰু এতিয়াও আছে। কিন্তু ৰহস্যৰ দুৱাৰ মুকলি কৰিব নোৱাৰি সেই পন্থাৰ শিষ্যসকল আজি ব্যভিচাৰী বুলি পৰিচিত হ'ল। অসমৰ "ৰাতি-খোৱা সম্প্ৰদায়'ৰ

প্ৰতিষ্ঠাতাজনে নিশ্চয় ৰহস্য-বাদ ভাল পাইছিল। নহলে তেখেতে ভাগৱতী ধৰ্ম্মৰ মূল ভাবটি সৰল অসমীয়া ভাষাৰ জালেৰে এইদৰে লুকাই থৈ নগলহেতেন :—

লগ নাই কাৰেনো . যাওঁ মোৰ বান্ধৈ ঐ,
সঙ্গ নাই কাৰেনো যাওঁ।
নামো অমযা ভকতি অময়া
বেচ নাই সুদায়ে পাওঁ॥

নৈৰে পাৰতে ৰৰগছ এজুপি
ফলে ফুলে ভাঙে ডাল।
পানী চেঙেলীয়া গৰা খহনীযা
বন্ধিবাহা কত কাল

ইয়াৰ ভিতৰত ৰহস্যৰ এখন সাগৰ! লগ-সঙ্গ নাইকিয়া আত্মাৰ গতিপথ—তথাপি তাৰ মাজতে আছে 'অময়া ভক্তি' (ৰসময়ী ভক্তি?) 'অময়া নাম', যাৰ মূল্য দিব নোৱাৰি। কাল-নৈৰ পাৰত জ্ঞানৰ বটবৃক্ষ (ৰৰগছ) জুপি—তাতে কৰ্ম্ম (ফুল) আৰু মুক্তি বা নিৰ্ব্বান 'ফল' লাগি আছে। 'পানী চেঙেলীয়া' অৰ্থাৎ চিৰ-প্ৰৱাহমান কাল সোঁতত পাৰত থকা প্ৰাণীবিলাক খহনীয়া গৰাৰ দৰে তাত পৰি বিলীন হবই লাগিছে। এনে খন্তেকীয়া জগতত কেই দিন থাকিবা? আহাঁ, হাতত ধৰাধৰিকৈ

অর্থাৎ ভাতৃ ভাবেৰে সমবেত হৈ জ্ঞান-বৰগছৰ ফুল পিন্ধি খোপা শুৱনী কৰো। কিন্তু ইয়াৰ ওপৰত থকা শব্দৰ জালখনি একৰাই ভিতৰত থকা পোহৰ ধানি উলিয়াই লব নাজানি "মকৰাৰ জালতে কৃষ্ণাই বন্দী হ'ল।" কালিন্দী ৰাতি আৰু নুপুৰাল!

ভয় আৰু বিষাদে শৰীৰৰ মুকলি বাটবোৰ বন্ধ কৰি জীৱনী-শক্তিৰ গতি ধীৰ আৰু এলেহুৱা কৰি তোলে, কিন্তু আশা আৰু শান্তিৰ বাণীয়ে প্ৰাণত জীৱনৰ সোঁত বোৱাই দি মন প্ৰফুল্ল কৰি থয়। যি সকলে প্ৰফুল্ল মানৱ হৈ প্ৰাণৰ পূজা কৰিবলৈ অদম্য হেঁপাহ লাভ কৰিছিল, সেই সকলৰ পৰিকল্পনাতে সমস্ত-শক্তিৰ প্ৰতীক স্বৰূপে দুৰ্গাদেৱীৰ জন্ম হৈছিল। সেই কাৰণেই তেওঁৰিলাকে গায়:—

"ৰূপং দেহি জয়ং দেহি যশো দেহি দ্বিষোজহি।" শক্তি মানেই প্ৰাণ। হাফিজে বিচাৰিছিল অকল প্ৰাণ। হাফিজে জানিছিল—"In God (Infinite Spirit) we live and move and have our being. He is the life of our life our very life itself······ we are partakers of the life of God." (ঈশ্বৰ—যি জন অনন্ত প্ৰাণ, তেওঁতে আমি জীয়াই

আছোঁ, লৰ-চৰ কৰিছোঁ আৰু তেওঁৰপৰাই এই স্থূল দেহ পাইছোঁ। তেঁৱেই আমাৰ জীৱনৰো জীৱন। আমাৰ এই জীৱনটোও তেঁৱেই। সেই মহাপ্ৰাণৰে আমি অংশ গ্ৰহণ কৰিছো।)

নাম-ঘোষায়ো কৈছে :—

"হৰিসে চৈতন্য আত্মা জ্ঞানময়,
আৰৰ সমস্তে জড়।
বেদ বেদান্তৰ, সমস্ত শাস্ত্ৰৰ
এহিসে বিচাৰ বড়।"—২২০॥=

এতিয়া দেখা হ'ল যে,—এই দুদিনীয়া সংসাৰৰ দুঃখ-তাপ, জ্ঞান-বুদ্ধিৰ বিচাৰ, 'মই' 'তই' প্ৰভেদ, সকলো পাহৰি, প্ৰকৃত আনন্দ পাবলৈ হলে চিৰ সুন্দৰক সকলো তাৰ অৰ্পণ কৰিব লাগিব। বিশ্ব প্ৰকৃতিৰ সুৰত সুৰ মিলাব লাগিব। সমস্ত পৃথিবীয়ে আমাক ভাল পাবলৈ হলে আমি প্ৰথমে সমস্ত পৃথিবীক ভাল পাব লাগিব। নহলে ঘৃণা, কুৎসা, আসোঁৱাহেই জীৱন ঢাকি পেলাব।

এজন ইংৰাজ কবিয়ে কৈছে,—এই জগতত বিশ্বাসী হৃদয় আছে, নিৰ্ভীক প্ৰাণ আছে আৰু আছে সত্য-শুদ্ধ অন্তঃকৰণ। সেই কাৰণে জগতলৈ তোমাৰ যি কেৰা মধুৰ সম্বল আছে তাকে উজাৰি দিয়া।

তোমালৈও সেই দৰেই সৰ্ব্বোৎকৃষ্ট মধুৰ সম্বলেই উলটি আহিব।

'হাফিজৰ সুৰ'ত ইয়াৰ সন্ধান পাই নিজৰ যোগ্যতালৈ ভ্ৰূক্ষেপ নকৰি সহৃদয় সমাজলৈ আজি শাৰদীয়-উৎসৱ উপলক্ষে এই সেৱাটি আগবঢ়ালো। যি সকল গুণী, জ্ঞানী—সেই সকলৰ কাৰণে আমাৰ সেৱাৰ বস্তুটিত নতুনত্ব একো নাই। তেখেতসকলৰ কাৰণে আমাৰ নিবেদনো বহুত পুৰণি। কিন্তু আমাৰ যিসকল অসমীয়া ভাই-বন্ধু পাৰস্য-সাহিত্যৰ লগত অপৰিচিত সেইসকলৰ কাৰণে কিবা প্ৰয়োজনত আহে বুলিহে নিবেদনৰ বিননি ইমান অধিক হ'ল।

আমাৰ অন্তৰ্বেদনাৰ একমাত্ৰ গোপন-বাতৰি পাওঁতা আৰু আমাক গীতাৰ মন্ত্ৰেৰে উদ্বুদ্ধ কৰোঁতা চেনেহৰ 'দাদা' শ্ৰীযুক্ত তুলসীনাৰায়ণ শৰ্ম্মাই হে "হাফিজৰ সুৰ" প্ৰকাশ কৰিবলৈ আমাক তৎ হেকৱালে।

সকলো দোষৰ ভাৰ নিজৰ শিৰত তুলি লৈ সুধী সমাজৰ আগত আজি আমি 'হাফিজৰ সুৰ' ডাঙি ধৰিলো অকল এটি সাহসত যে, জ্ঞানীসকলে স্নেহ-জলেৰে অজ্ঞানীৰ চক্ষু ধুই দিয়ে। তেখেতসকলে জানে—"Prejudices, preconceived opinions and beliefs always

stand in the way of true wisdom-" প্ৰাণত এটা আশা আছে যেন, আজি আমাৰ মনত যি-টি অংকণ এটা ভাব (ide) হৈয়েই আছে সেইটিত যদি প্ৰাণ-শক্তিৰ পৰশ লাগে সিও নিশ্চয় এদিন সজীৱ হৈ উঠিব। যেহেতু :—

"There is no noble height thou canst
not climb;
'All triumph may be thine in Times
futurity,"
If, whatso'er thy fault, thou dost not
faint or halt;
But lean upon the staff of God's security."

এইটোৱেই Law of Prosperity ; সকলো বিকাশৰ মূলতে এই একে কথাই! ওঁ শান্তি ॥

তিনিচুকীয়া,
২১ ভাদ্ৰ, ১৮৫৫ ॥

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

স্মৃতি-পট

স্বৰ্গীয়া ৺ঊৰ্ম্মিলা দেৱী,

মোৰ চেনেহ আকলুৱা হিয়াত কেতিয়াবা তুমি দুই এটি শৰদেৰে সুনিৰ্ম্মল ৰসৰ সঞ্চাৰ কৰিছিলা। মই তোমাৰ সৰল কথা-বাৰ্ত্তা, তোমাৰ সুখ-দুখ, তোমাৰ ৰং-ধেমালিবোৰ লক্ষ্য কৰি পেটে পেটে এটা সন্তোষৰ হুমুনীয়া পেলাইছিলো। সিদিনা ২৫-১-৩৩ তাৰিখে আবেলি তুমি তোমাৰ আঁঠমহীয়া লৰাটি আঁঠুত বহুৱাই লৈ নীৰৱে তাৰ কাণে কাণে কোৱা মই শুনিছিলো—"তুমি মোৰ কলিজা নহয়নে?" তোমাৰ সেই কথাষাৰ শুনি কেঁৰে নেদেখাকৈ মোৰ চকুৰ পৰা এটোপ পানী ওলাইছিল—হায়! মোৰো যদি আই থাকিলহেঁতেন!

পাছদিনা পুৱা তোমাৰ শৰীৰ অসুখ হ'ল। ৰাতিলৈ অলপ বেছি হৈ আহিল। ২৭-১-৩৩ তাৰিখৰ দিনা এক বজাত ডাক্তৰে কোৱা শুনিলো তোমাৰ নাড়ী বেয়া হৈ আহিছে। লৰ মাৰি ওচৰলৈ গলো। খন্তেকৰ ভিতৰতে তোমাৰ আত্মীয়-কুটুম সকলো আহি ঘৰ ভৰি পৰিলহি। চাওঁতে চাওঁতে তোমাৰ হাত-ভৰি,

পৰিচয়

মুছাফিৰ—বাটৰুৱা।

নাৰ্গিচ—ইৰাণ দেশীয় এবিধ ফুল।

খয়বৰী-দ্বাৰ—"খয়বৰ" প্ৰদেশৰ দুৰ্গৰ দুৱাৰ।

আলী—হজৰত মহম্মদৰ জোঁৱায়েক। এওঁৰেই হাতেৰে ভুকুৱাই খয়বৰী দ্বাৰ ভাঙিছিল।

কুনবৰ-খাঁ—কুনবৰৰ বাদশ্বাহ। এখেত বিখ্যাত দানী।

বাবিলনী যাদু—আৰবী আৰু ইৰাণীসকলে বাবিলনক যাদু মন্ত্ৰৰ আদি জন্মভূমি বুলি ধৰে।

আব-ই-হায়াৎ—মৃত-সঞ্জীৱনী সুধা।

ছোৰাহী—ডিঙিলগা আৰু দেখিবলৈ ধুনীয়া মাটিৰ কলহ।

চুফি—আৰব পাৰস্য আদি মুহলমান দেশ বিলাকত এদল বৈৰাগী সাধকক চুফি বুলি জনা হৈছিল। এওঁবিলাকে উলৰ দীঘল হলহ ছোলা পিন্ধিছিল। এওঁবিলাকৰ চিন্তাধাৰাক ৰহস্যবাদ বুলি কোৱা হয়। হাফিজ চুফি কবি সকলৰ ভিতৰত এজন অন্যতম।

চকু-কাণ অৱশ হৈ আহিল। তুমি মাতিব নোৱাৰা হলা। হায়, হায়, তোমাৰ সেতা পৰি অহা মুখ খনি, কাতৰ চকু-যুৰি, যন্ত্ৰণাত ছটু-ফট কৰা দেহাটি দেখি ঈশ্বৰক কিমান অনুনয়-বিনয় কৰিলো কেনি কলৈ লব দিলো— তথাপি তুমি আগৰ নিচিনা নহলা। মাথো তোমাক সাৱটি ধৰিয়েই থাকিল, হাতৰ খাৰু, ডিঙিৰ হাৰ, কপালৰ সেন্দুৰ জিলিকিয়েই থাকিল—কেৱল নোহোৱা হল তোমাৰ প্ৰাণৰ স্পন্দনটি! তেতিয়া তোমাৰ অসাৰ দেহাটি বেৰি লৈ থাকোতে ইচ্ছা হৈছিল যেন গোটেই সৃষ্টি তোলপাৰ কৰি ঈশ্বৰ ক'ত আছে বিচাৰি লৈ এবাৰ সোধো, "মানুহ ইমান দীন-দৰিদ্ৰ কিয়?"

সাগৰৰ উৰ্ম্মি এটিৰ দৰে তুমি আহিলা আৰু এটি হৰ্ষ-বিষাদৰ ঢৌ তুলি থিতাতে কেনিবা গুচি গলা। তোমাৰ জীৱনটোৱেই যেন এটি **"হাফিজৰ সুৰ।"** ছাপা হোৱা পাত কেইটামান নি তোমাৰ হাতত দি সুধিছিলো—**"হাফিজৰ সুৰ"** কেনে হৈছে পঢ়িবাইক। হায়! সম্পূৰ্ণ হবলৈ তুমি আৰু অপেক্ষা নকৰিলা। তুমি নাই কিন্তু তোমাৰ স্মৃতিটিয়েই **"হাফিজৰ সুৰ"**ত লাগি থক। মোৰ বেদনাৰ চিতা মোৰ বুকুতে জ্বলি থাকক।

মাজু ভিনিহি

হাফিজৰ সুৰ

তোমাৰ ছবিকে ধ্যান কৰি প্ৰিয়,
দৃষ্টি যে মোৰ সদাই থিৰ ;
তোমাৰ ঘৰৰ বাটটি এৰি
নলয় ভৰিয়ে কেনিও ভিৰ ।

জগত খনৰে লাগিছে চকুত
ধুনীয়া টোপনি দুনিয়-ভোলা,
অকল মোৰেহে চকু-মণি যোৰে
নাপালে নিদ্ৰা-দেৱীৰ কোলা ।

*

মোৰ ই সুখৰ শত্ৰু হ'বলে,
কৰা অভিসাৰ বেগতে ভাই ;
মহা-মউৎসৱ আয়োজন আজি,
সজোৱাঁ পাত্ৰ সুধা ওপোচাই ।

চকু-চৰহাৰ কুট কথা শুনি
পলাবাঁ কলৈ, ভীৰুৰ দল ?
অ' মোৰ প্ৰিয়া ! শুনা মোৰ কথা
দুখৰ কাহিনী পৰিব তল ॥

*

কপালে যিদিনা তোমাকে মোকে
কৰিলে ইদৰে দুপিনে দুফাল,
সিদিনাৰে পৰা হাঁহিৰ ৰেখাই
ছোৱা নাই মোৰ নীৰস গাল ।

যিহে নিকৰুণ সেই বিৰহৰ
বিননিয়ে মোৰ ভাঙিছে হিয়া ।
মইহে জানিছোঁ, জানিছে মনৰ
যিজন সদাই গোপন-ৰখীয়া ॥

*

ধ্যানে জ্ঞানে মোৰ বাক্যে বচনে
তোমাৰে মধুৰ সুৰৰ স'তে
গাইছো তোমাৰ গান মহিমাৰ,
ৰজাৰো ৰজা তুমি সকলোতে।

তোমাৰ কাষত খিয়লীয়াবোৰে
মোৰ অপযশ ৰটেহি কম?
সেইহে আজিও তোমাৰ সভালে'
নামাতিলে মোক, নিদিলে গম॥

*

কোৰাচোঁ আনক সপোন অমিয়া
পৰাণ-প্ৰিয়াৰ কাষতে বহি
লওঁ নিগৰাই ৰূপহী ওঁঠৰ
সৌৰা আঙুৰ পকিছে জহি।

আহত জনেহে ছট্‌ফটনিত
বিচাৰে শান্তি নৰ'লে তেজ;
জানিছোঁ তোমাৰে হৃদয় কিয়,
বিচাৰোঁ চতুৰ কপটী বেজ।

*

বাট ভেটি মোৰ কুটুম সকলে
ৰাখোঁতে বহুত ভাবিলোঁ ভাই,
এইবেলি হ'লে ফুল-মলয়াত
মোৰ জোলখিনি দিলোঁ উপচাই।

ফুলনিত পৰি বুলবুলিবোৰে
দিলেহি সুৰৰ অমিয়া বাকি,
এনুৱা ফাগুন ফুলৰ বতৰ,
নাই যদি হিয়া তেনেই ফাঁকি॥

বিশ্বজনেই তীৰ্থ-যাত্ৰী,
তোমাৰ বাটকে জগতে চিনে;
মৌ-গুটি হৈ উড়িছে নিখিল
মুখ-ডালিমৰ ফুলৰ পিনে।

আজি যদি কোনে তোমাক নাচাই
তোমাৰ পিনেদি পিঠি দি যায়;
কাইলৈ বাৰু কোনটো লাজেৰে
সেই হিয়া-হীন মুছাফিৰে চায়?

*

তোমাৰ আকুল অলকে ৰ'দত
পেলায় তোমাৰে গহৰী দাগ;
জোন-পূৰ হোৱা আগবাতিটিহে
তোমাৰ মুকুট, শিৰৰ আগ।

তোমাৰ কেশৰ কলীয়া পতাকা
সন্ধিয়া সখীয়ে উড়াই দেখি
উষাই সদাই হাঁহে মিচিকাই,
সূৰুযে দি যায় বাতৰি লেখি।

*

পৰাণ-প্ৰিয়ৰ লগ এৰি আজি
অকলে থকাৰ পৰিছে দিন।
আজি ৰাতি মোৰ নোলায় সময় –
মই যে বুকৰ বান্ধৈ হীন!

কিনো লাভ হ'ব সাৱধানে থাকি
আজি যে প্ৰাণত প্ৰেৰণা নাই,
নহয়, নহয়,—প্ৰাণ আছে মোৰ,
প্ৰিয়া-মধুৰিহে হেৰাল হাঁয়।

*

প্ৰাণ কাঢ়ি নিব খোজে মোৰ সউ
ৰূপৰ কুঁৱৰী নিঠুৰা তাই,
পৰীৰ নিচিনা ৰূপটিও চোৰা
থৈছে চকুৰ আঁৰতে হাঁয়।

তেওঁকে শুনাই ক'লো একাষাৰ—
কিনো মুখখন থৈছা লুকাই?
মিহি মাত এটি শুনিলো পাছত,—
কি জানিবাঁ লোভ কৰা তাকে চাই।

*

তোমাৰ প্ৰেমৰ পূজাত লাগোতে
তেজ-বগা হ'ল হৃদয়খনি;
তোমাৰ সি-ৰূপ ঢুকি পোৱা টান,
নাযায় সিমান চকুৰ মণি।

ভীৰু হিয়া মোৰ জহি-পমি গ'ল
তোমাৰ আউলী অলক চুই ;
সন্ধ্যা-কলীয়া চুলিৰ বান্ধোন
নহয় সহজ পেলোৱা ধুই।

*

জোন বেলি তৰা গোলাম তোমাৰ,
তুমিহে সগীয়া জ্যোতিৰ ৰাণী ;
আন্ধাৰ গুচোৱা পোহৰ ধানিহে
পাইছে সিহঁতে একেটি বাণী ?

ৰাগ-অনুৰাগ মোহেৰে মিহলি
তোমাৰ ৰূপৰে পোহৰ লভি
চন্দ্ৰ ইমান স্নিগ্ধ শীতল,
ইমান দীপ্ত হইছে ৰবি।

*

হাফিজৰ সুৰ

প্ৰাণ-পখীটিৰ গাত যিদিনাই
বেদনাৰ জাল লাগিল সখি,
তেতিয়াৰেপৰা তেজ পুঁৰি থকা
অস্ত্ৰ ওলমি আছেই ৰখি।

হেকুৱালো হায়, নিজৰ হাতেৰে
এবাটি জুৰণি শান্তি-জল,
খাইছো অকল পিয়লা ভৰাই
নিজৰ বুকুৰে তেজৰ ঢল।

*

তোমাৰ অলক লাগিলে হাতত
বীণৰ তাঁৰৰ বাতৰি পাওঁ,
অকল তোমাৰ ওঁঠতেহে গুচে
দুঃখ-যাতনাৰ গধূৰ ভাও।

হাফিজৰ সুৰ

তোমাৰ চিকুণ মুখখানি মোৰ
তাপিত হিয়াৰ শান্তি জুৰ ;
জীৱনৰ সখী সপোনৰ আদি
সেই দেহাফেৰি একেটি সুৰ ॥

*

তোমাকে বিচাৰি হলোহি উদাস
উদং কৰিলো ভড়ালো হায় ।
তথাপিও দেখোঁ মযেহে তোমাৰ
নহলো আপোন, নাপালো ঠাই ।

তোমাৰ বেণীৰ জিঞ্জিৰি চুই
বন্দী মযেনো সদাই কিয় ?
মযেহে দেখোন হইছো পগলা
পান কৰি প্ৰেম তোমাৰ প্ৰিয় !

*

হাফিজৰ সুৰ

শিকিছে প্ৰিয়াই হিয়াৰ মাণিক
মথিমূৰ কৰি পৰাণ হৰা ;
তেওঁৰে আকৌ মিলন বিচাৰি
হৈ আছোঁ মই জীয়াতে মৰা।

গোলাপ সৰিছে গালত প্ৰিয়াৰ
ৰসাল ওঠৰে ৰূপালী মুখ,
ফুলকো জিনিছে ফুল্ল-মুখীয়ে
সুন্দৰী হাঁহিৰে হৰিছে দুখ।

*

প্ৰাণ ভৰি আজি পিয়াঁচো' অমিয়া
অমৰ জীৱন থাকিব বৈ ;
মহা-মাৰ-ভৰা জগত বিচাৰি
কোননো আহিব দুনাই ঐ ?

—এঘাৰ—

ফুলাম ধৰাৰ গোলাম আমি যে
প্ৰীতি-পৰিমল ফুলৰ দান ;
এটি লহমাৰ এছাটি বতাহ,--
তাতেহে হ'বলা গাইছোঁ গান ?

*

এই যে তোমাৰ তৰল লাৱণ্য —
সেয়েহে দাপোণ প্ৰাণৰ চিন ;
মন যায় যেন তাৰ সপোনতে
মোৰ চকু দুটি কৰিম লীন !

নহয়, নহয়, ভয় লাগে মোৰ—
চকুৰ কাঁইটে জানোচা সখী,
বিন্ধেহি ধ্যানৰ পদুম-চৰণ,
ব্যথাত পোহৰ হৈছো দেখি ॥

*

—বাৰ—

হাফিজৰ সুৰ

বিশ্বাসী মোৰ বান্ধৈয়ে বুকৰ
পিয়ালে প্ৰথম জুৰণি ভাল,
ৰাগীত যেতিয়া তৰ্-ল বাম্-ল
অত্যাচাৰীয়ে মেলিলে জাল।

সোতকৰ ধাৰ, জীয়া জুই গাৰ,
সেয়ে মোৰ লাভ—সামৰি লৈ
চকুৰে তিয়াওঁ, বুকেৰে জ্বলাওঁ,
তেওঁৰে বাটৰ ধূলি এটি হৈ।

*

তোৰ মুখ দেখি পৰিছে মনত
'অ' ফুল, মোৰ সেইটি ফুল—
যিটি দেখি মোৰ হৃদয় ৰলিয়া,
সুবাসে সদায় ভাঙেহি ভুল।

—তেৰ—

মন যায় আনি এটি ফুলদানী
তোৰে স'তে যেন তেওঁকো থৈ
ফুল অধৰত চুমিম নিতৌ,
থাকিম ফুলৰে গোলাম হৈ।

*

ধন-সোণ আৰু জ্ঞান-বুধি লৈ
থাকে যাৰ চিত বান্ধত পৰি,
নোৱাৰে সিহঁতে প্ৰেয়সীৰ তনু
মোৰ বুল ল'ব আপোন কৰি।

চপল-চকুৱা প্ৰিয়াৰ কাণত
মোৰ কথাযাৰে নাপালে ঠাই,
শৰদ-সোণৰ কাণ-ফুলপাহি
নুঠিল এদিনো কাণত হাঁয়।

*

নৈ কাষলৈ লৈ বলা সৌ
ভৰা-ছোৰাহীৰ অমিয়া জোল,
অভিমান এৰি মুকলি মনেৰে
কৰাহি জীৱন আমোল-মোল।

জগতখনেই যেতিয়া এদিন
দুদিন জিৰাই সৰাব পট,
লুট কৰা আজি হাঁহিৰ মধুৰি,
প্ৰেমৰ ৰসেৰে ভৰোৱা ঘঁট।

*

তোমাৰ ভাগ্য বলেৰেহে প্ৰিয়
শুনিলো কালৰ এনেটি বাণী,—
'তোমাৰ হাতৰ আটাই কামতে
ফলিব সুফল মিলন-কামী।'

দিয়া তেনেহলে পান কৰি লওঁ
তুমি দিয়া সেই সুৰদী ৰস,
হওঁ যদি হ'ম তাতেই অমৰ,
কিজানিবা সেয়ে তোমাৰ যশ।

*

ৰূপ-চকলীয়া ফুল-কলিহঁতে
ফাগুনী মেলৰ সিচিছে চিক্,
সুধাৰ আশাত শিমলুৱে দেহি
সাজিছে গিলাচ গোলাপী ঠিক।

ধন্য সিখনি হৃদয় সঁচাই
বসুধাখনকে সপোন বুলি,
অতিথি-শালৰ চোতালত পৰি
লয় যি-খনিয়ে বাটৰ ধূলি।

*

হাফিজৰ স্তুৱ

মানসীয়ে মোক থাকোঁতে মেৰাই
থাকে পৰাণত অমৰ খেন,
তিতা লগা এই পোতাশাল এ'ৰ
পাওঁ পৰিত্ৰাণ তেতিয়াহে যেন!

তেওঁৰ দেহৰে ৰূপ-হুৰবীয়ে
সোধে মোক, দাম দিবানো কি?
প্ৰিয়াৰ চকুতে প্ৰাণ-উপহাৰ
থৈছো দেখোন তেনেই দি!

*

জোনটিৰ দৰে ৰূপত তোমাৰ
পৰিছে কালিমা, লাগিছে চেক্,
মইমত-ভাব-সোণৰ বজাৰ
মুঠিছে বেগতে, নাহিছে ছেগ।

—সোতৰ—

বাৰে বাৰে তুমি লাজ দিছা মোক
প্ৰেম হেনো মোৰ মিছাৰে ভৰা,
কাৰনো মুখত ক'লা দাগ আছে
আজি এতিয়াহে পৰিছে ধৰা।

*

ৰূপহী বিলাকে মৃগয়া বিচাৰে
বন-ব'ৰাগীৰ মনৰ গা-ত—
তাৰ দেহতেই বাকি দিয়ে হাঁয়,
ৰূপৰ চমক্, সোণৰ ছাট্!

নাগিচে সউ ফুলৰ ৰাণীৰ
পাইছে মুকুট খিয়াতি লৈ,
উদং যদিও মূৰটি দেখাত
কীৰ্ত্তি গৈছে বিশ্ব বৈ।

*

হাফিজৰ স্তুৰ

তোমাৰ ধ্বনিটি আহিছে বেনিয়ে
বেদনাৰে তেনি ভৰিছে বাট,
এনে মুছাফিৰ নাই দেখা মই
সহজে চলিব পাৰিছে তাত।

তুমিহে জানিছাঁ কোন তেওঁ গুণী
জ্ঞানৰ সূৰ্য্য প্ৰতিভা যাৰ;
ৰূপ-থাপনাৰ আগত যিজনে
প্ৰাণৰ প্ৰদীপ কৰিছে সাৰ।

*

দিয়াঁ সউখিনি চহা ৰূপহীৰ
হাত-ছুই-অহা আঙুৰ-জল;
জীৱনৰ জীয়া—অগনি সোপাকে
তাকে পি পি পেলাওঁ তল।

—উনৈশ—

হাফিজৰ সুৰ

পৃথিৱীৰ যদি ভাল-বেয়া খিনি
দিয়া পাহৰাই বলিয়া কৰি,
থানিব পাৰিম মইয়েই অকলে
সৃষ্টি-চোঁচোৰ পমুটি ধৰি।

*

সুৰাগী মুখৰ কথাই কদাপি
নকৰে পূৰ্ণ, নিমিতে আশ;
প্ৰেমৰ কাৰণে অঘৰী যিজন
ঘটিছে সিজনে সৰ্ব্বনাশ!

তোমাৰ মনৰ মধুৰিবে স'তে
মিলেনে প্ৰিয়াৰ সকলো কাম?
প্ৰিয়াৰ হৃদয় নাই পোৱা যদি
বিফল তোমাৰ প্ৰেমিক নাম।

*

—বিশ—

হাফিজৰ সুৰ

ভোমোৰাক তুমি মৌ-লোভী বোলা
পিয়ে সিহঁতেও ফুলৰ ৰস ;
মৰে যেনেকৈ মৌ পান্ কৰি
লভে তেনেকৈযে কবিৰ যশ।

প্ৰাণ আৰু মোৰ সখীৰ লগত
সেইহে সদায় বলিয়া মই,
সমাধি ভেদিও আহিম ওলাই
মইনো কিহৰ কৰিছো ভয় ?

*

ৰস-পিয়া-মন, ৰসিক যিজন,
পিন্ধিছে যিজনে প্ৰেমৰ-মালা ;
তেওঁৰেহে মই নিকিনা-গোলাম,
তেওঁহে বুজিছে মোৰ কি জ্বালা।

—একৈশ—

প্ৰেমৰ নাইৰা প্ৰেম-অনোৱাৰ
　　বুজিব সোৱাদ নিৰসে কি,
ইন্দ্ৰপুৰীৰ ৰূপ-কোঁৱৰেহে
　　এই ৰস পান কৰিছে যি।

*

পৰাক্ৰমৰ ক্ষমতা পালেই
　　নপৰে হাতত ধৰাৰ ধন,
আনন্দময় জীৱন-সুধাৰ
　　নহয় যোগ্য বিষাদী-মন।

পাঁচোটা দিনৰ দুখৰ বোজোক
　　সহিব নোৱাৰি থুজিছা ভাই,
সাত-শ হেজাৰ বছৰ বিয়পি
　　জৰিছে যি ফেৰা সুখৰ ঠাই।

*

হাঁহিৰে ওপচা আনন্দ গানত
মত্ত হ'বৰ সময় হ'ল,
প্ৰাণৰ জুৰণি বেথাৰ-মিতিৰ—
টোকাৰীৰ স'তে ওলাই ব'ল।
এটি পলকৰ এইহে জীৱন—
সেইহে কৈছোঁ ঢালাচোঁ ঢালা,
ছোৰাহীৰ ৰঙা আঙুৰ-তেজেৰে
পানৰ পাত্ৰ ৰঙাই তোলা।

*

ওজা-বেজ মোৰ আছিল কাষলে'
তেওঁচোঁ তোমাক নেদেখোঁ হাঁয়,
কটা ঘাত যেন চেঙা তেল হ'ল
আকৌ একেই বিৰহ পাই!

আৰু কেনেকৈ থাকিম আঁতৰি—
ভয় কৰিছিলো তাকেই ভাবি,
এতিয়া দেখিছো সেয়েহে ঘটিল,
থাকোঁ কেনেকৈ বিৰহ যাপি?

*

বিষে জৰ-জৰ হৃদয়তো মোৰ
থাকে যেন প্ৰিয় তোমাৰ জ্যোতি,
ডুবৰি বনতো পৰিছে দেখোন
অৰুণ-অলোক নিতউ ফুটি।

ধূলি এটি হৈ যদিহে তোমাৰ
থাকোঁ বাটতেই বাগৰি পৰি;
আমনি পালেও নাপাবিৰা গালি,
ধূলিয়ে ৰাখিব ধ্বনিটি ধৰি।

*

বিশ্বাসৰ বুকু বিন্ধিলে দেখিছে
বুকুৰ বান্ধৈও শতুৰু হ'ল,
কিমান পথিকে হেৰুৱালে বাট,
অবিশ্বাসতে ওপঙি গ'ল।

সূৰ্য্য তেজৰ সংযোগতে
নিশাদেৱী হ'ল ঋতুৰ-ৰাণী,
এই কথাটিকে নাজানে যিজনে,
তেওঁনো কিহৰ লভিব বাণী!

*

ব্যথিত হিয়াই বিচাৰিছে যিটি
পায় যদি পক তাকেই ঐ,
নহলে উড়ক পৰাণ-পখীটি
নেদেখা বাটেদি আতমা হৈ।

আজিও খোদাৰ পবিত্ৰ পীঠত
এফেৰি ভৰসা থৈছো সাচি,
অলেখ দুৱাৰ মেল খাব মোৰ
ভাগ্যে দিবহি অশোক যাচি।

*

মন্দ কপালে মুঘুৰালে মুখ,
নিদিলে যেতিয়া হাঁহিটি মোক;
নাপালে মৰমে সুখৰ সোৱাদ,
কিনো লাভ হ'ব কৰিলে শোক?

চকুৰ ৰৌশ্নি, স্নেহৰ পুতলি,
গুচি গ'ল মোৰ মাণিক যিটি,
মণি দুটিয়েই হেৰাল যদিহে
সাধিব চকুৱে কিহৰ প্ৰীতি?

*

সপোনেহে ভাই জীৱন জুৰায়
দিয়াচোঁ জীৱন-সপোন ঢালি,
কেঁচা বয়সত পাপ বোলা বোৰ
ডেকা হলে চোন পৰেহি হালি।

দুনিয়া খনেই কুহকচ্ তেনেই
পৰক নেওঁচি পাতিছে থুল,
ইয়াৰ মাজত সপোনেই ঠিক
পগলা মেলৰ ধৰিছে ভুল।

*

আয়ুসৰ চুলি উড়ুৱাই সউ
আহিছে বলিয়া আকুল বান,
জীৱনৰ পান-পাত্র ভৰাই
এয়েহে সময় ল'বৰ দান।

সাৱধান হবা, হেৰা ডাওৰীয়া—
কাল দূতবোৰে নিনিয়ে যেন
জীৱন-ঘৰৰ মধুৰ সমল,
যিখিনি তোমাৰ মদিৰা হেন।

*

প্ৰিয়াৰ ৰেছমী কোমল কেশত
আঙুলি বুলাই লগালো মাত,
"দিয়া মোক সখী দিয়াহে জীৱন,
এইয়া অমৃত তোমাৰ গাত!"

ক'লে প্ৰেয়সীয়ে—"অলক এৰা,
ধৰা এই দুটি অধৰত মোৰ,
দীৰ্ঘ-জীৱন বিচাৰিবাঁ আৰু
কৰাচোঁ সকলো ইয়াতে ওৰ।"

*

অকলে অকলে এনা টোপনীৰে
কটালো কালি যে গোটেই ৰাতি,
লোতক-মণিৰে গাঁথিলো চিপাত
মকৰা জালেৰে বটীয়া বাতি।

নোৱাৰোঁ বুজাব কথাৰে সমূলি
তোমাৰ কাৰণে কিমান বেথা,
আপোনা-আপুনি সেইহে সদায়
নিজকে নিজে কৈছো কথা।

*

খয়বৰী-দ্বাৰ ভাঙোতা আলিয়ে
শিকাব তোমাক বীৰত্ব কি,
কুন্‌বৰ খাই বুজাব মহিমা
দুহাতে অকল দানকে দি।

হেৰেই হাফিজ, লাগিছেনে তোৰো
কৰুণা-কণাৰ তৃষ্ণা এনে ?
জীৱন-সুধাৰ সখীয়েহে হেৰ,
সেই ঝৰণাৰ বাতৰি জানে।

*

ভেজিছে যদিহে আমঠু প্ৰিয়াই
সহাচোঁ পীড়ণ বক্ষো মোৰ,
সকলো পাহৰি কৰাচোঁ আহৰি
মনতে বিপদ বিঘিনি বোৰ।

প্ৰণয়ৰ পূজা পূৰ কৰা আজি
থাকোতে ৰূপহী ষোড়শী প্ৰিয়া,
স্নেহৰ অযোগ্য জনক মাথোন
অন্তৰতম্ নিদিবাঁ হিয়া।

*

হৰিণীৰ চকু হৰিলা কাহানি
বাবিলনি-যাদু-মন্ত্র মাৰি,
তোমাৰ চকুতে হাৰমানে দেখোঁ
ৰাজীকৰ বেজো তলমূৰ কৰি ?

চুলি হালে জালে কাণৰ লতিত
সউটি ৰূপৰ কুঁৱৰী মোৰ,
তাতে যদি হায়, লাগিল হেঁতেন
হাফিজ-কাব্য-মুকুতা বোৰ।

*

চোৰাচোন সউ ফুল কুঁৱৰীৰ
লিপিলে মুখত ৰূপৰে লেও,
বতৰে কান্দোতে চোৰা কেনেকৈ
ধৰিছে সিহঁতে হাঁহিৰ ঠেও।

দখিণাৰবীৰ বাতৰি পায়েই
দেবদাৰু গছে সুহুৰি বায়,
ফুল-ৰাণীয়েও কুল হেকৰালে
কাৰণো আনন্দ লহৰ পাই !

*

আঁচলেৰে বুকু আঁটি-মুটি ঢাকি
সোণটিয়ে সউ তললৈ' চায়,
নাপালো বিচাৰি সেই মাধুৰীত
কিহৰ উপমা বজিতা থায় !

এনেহে উজ্জ্বল ৰূপটি সখীৰ
বুকৰ মাজেই হৃদয় দেখি,
পুখুৰী-মাজত শ'ল-ঠাৰিটিহে
থৰ হল যেন উৰক লাগি ।

*

কোৱাচোঁ শলিতা সোঁৱৰানে বাৰু
পাহৰিও এই পতঙ্গটিক ?
ভাল পাই মোক পাহৰি পেলোৱা
কেনে যেন দেখি কোৱাচোঁ ঠিক ?
কিনো বেদনাৰ তল সুঁতি এটি
তোমাৰ কাৰণে বলিছে হাঁয়,
তপত বলুকা এই জীৱনেহে
জানিছে কিমান জুৰিছে ঠাই।

*

কোনেনো পাইছে ইমান অটুট
সবল মনৰ ৰূপহী প্ৰিয়া ?
মোৰ দৰে দেখোঁ সেই বেদনাত
দেই-পুৰি মৰে অনেক হিয়া।

তুমিয়েই যদি এনে কপটীয়া
আৰু কিনো মই কৰিম হেঁৰা,
মোৰ দৰে দেখো বিশ্বখনৰে
লাগিছে সদায় বাটৰ কেৰা।

*

ফটিকাৰ এই খুৰী-বাটিটিতে
পৰ হেৰ' তৰ হৃদয় মোৰ,
পূৰ্ণ নোহোৱা বাসনা সোপাকে
কৰিম চূৰ্ণ, নলওঁ খোৰ!

ধাৰে অনা এই জীৱনো যে মোৰ
বুদ্ধি-শালতে বন্দী সদায়,
বাৰৰ মাজেদি জালি কাটি আজি
খন্তেক তাকো দিম মোকোলাই।

*

আনন্দ-পখীৰ দেউকাৰ ধ্বনি
অলপ ওখতে শুনিছো সৌ,
কিজানিবা সেয়ে কোমল-চিতীয়া
উড়ি-যোৱা ফুল সুৰভি ঢৌ!
তোমাৰে সোৱাদ ওঁঠৰ কিজানি
সেই মধু-বাৱ ৰসাল ধ্বনি,--
কী জানো সি অপৰূপ কথা
সপোনৰে যেন অনন্ত খনি।

•

ৰস্তিতকৈও অধিক দুখত
তোমাৰ কাৰণে কান্দিছোঁ মই,
তেজ-ধাৰ যেন লোতক দুধাৰ
তোমাৰ দুখতে নিতৌ বয়।

দেখিলে হৃদয়ে কৃপণতা কৰা
মৰ্যে হওঁ এটি পাত্ৰ পানৰ,
দূৰ বাঁহীটিৰ শুনিলে বিননি
শোণিতৰ শিখা জ্বলাওঁ গানৰ !

*

এটি নিশা যদি তোমাৰ লগত
পাওঁ কটাবলে' পৰাণ-প্ৰিয়া,
দেহা ফুলটিক ঢাকিম তোমাৰ,
তেখা লাগি চাই জুৰাম হিয়া।

ভয়নো কিহৰ তাৰ পাছ দিনা
আহে যদি দূত যমৰ পৰা,
পান কৰি আছো তোমাৰ ওঁঠৰ
আব্-ই-হায়াৎ অমৰ কৰা।

*

মেলা-বাহু মোৰ মেলাতে থাকিল,
নিদিয়া চুমাটি মৰহি গ'ল।
তোমাৰ অধৰ-পৰশ নাপাই
কিমান মাণিক নোহোৱা হ'ল!

আৰু ৰেছিকৈ নেমেলো টোপোলা
ঠৌৰতে সামৰো সোপাকে দুখ,
অলেখ মধুৰি মৰিল মনৰ
বাট চাই থাকি মিলন-সুখ।

*

(সউ) মৰকত-নীলা চুলিৰ মাজত
প্ৰাণৰ ধুমুহা বোৱাই নাই,
ইমানতে বাৰু পাৰোনে তোমাক
যোৱা বুলি ক'ব মইনো হাঁয়!

পোৱাল-ৰঙীয়া তোমাৰ অধৰ
সেয়েহে জীৱনী শক্তি মোৰ,
অযুত মুকুতা দিলেও সোণটি।
নোৱাৰো এৰিব সেইটি খোৰ।

*

এই জীৱনত দুখৰ বাহিৰে
নাপালো একোকে বস্তু আন,
ছাঁ-ই এৰিলেও নেৰিলে বিষাদে,
সেয়ে হ'ল মোৰ মৰ্ম্ম-থান।
গোপন মনৰ সপোন-সখীয়া
নাপালো কেনিও বন্ধু এটি ;
দুখেইহে মোৰ দুখৰ দুখী,
বিশ্বধনেই কঙাল অতি।

*

অ' প্ৰভাতৰ বা, শুনি যা কথাটি
কৰিবে' নীৰৱে তেওঁকে, হেনে,
মোৰ শত-ধাৰ চকুলো দেখিও
কাঠৰী-প্ৰিয়াৰ নামানে মনে।

মোৰে হৈ আক শুনাবি এবাৰ,
তুমি যে শুইছা সুখেৰে ইমান,
জানানে বাতৰি টোপনি আঁতৰি
কাৰ চকু যুৰি পৰিছে ম্লান ?

✱

মোকেনো কিমান ভোগাবাঁ ললাট
কোৱাচোঁন মোৰ পৰাণ-প্ৰিয়,
এনা-কাৰণত একে হিয়াৰেই
নিখিলক বাক খলোৱা কিয় ?

একা-চেকা মোৰ কঠোৰ হাতত
পৰিছে অস্ত্ৰ আশীষ যেন,
তোমাৰ হাতত পৰিলে কিজানি
তোমাৰেই প্ৰিয়া কাঢ়িব কেন ?

*

কোৰাণ মন্ত্ৰে কৈছে সদায়
পুণ্য-শীতল সৰগ খনি ;
পোৰা হ'ব হেনো তাতেহে আচল
সুৰা আৰু সখী পৰশ-মণি ।
কিয় তেনে বাৰু দায় লাগে মোৰ,
সুৰা সখী লৈ থাকিলে ইয়াত,
সৰগতে যিটো নহল দূষিত
পৃথিবীৰ কিয় নসহে হিয়াত ?

*

চিত্র-বিচিত্র সেই আবেগতে
চন্দ্র-সূৰ্য্য আৰু ৰাতি-দিনে,
তোমাৰ ধূলিৰ ওপৰতে পৰি
জনায় প্ৰণতি দিনক দিনে।

নেদেখা-চকুৰ বাসনাৰ পৰা
বঞ্চিত কৰি সদায় প্ৰিয়
গলা দূৰলৈ, মোক বহুৱাই
প্ৰতীক্ষাৰ জুই আগুনিত কিয় ?

*

সুৰাৰ সমান আছে কিনো আন
দুখ পাহৰাৰ কাৰণ-জল,
সুৰা-বেদনাৰ সেনাৰ লগত
যুদ্ধ কৰিবৰ আছেনে বল ?

এই কেঁচা বুধি ইমানতে তুমি
কৰিছা সুৰাক ইমান ঘিণ,
শ্যাম সেউজীয়া কেঁচাতেহে দেখোঁ
পান কৰিবৰ, গান ধৰিবৰ দিন।

*

পাতৰ পৰ্দ্দা আঁৰৰ কলিয়ে
মুৰ ডাঙিয়েহে তোমাক দেখে,
চোকা লাগিছে তোমাৰ লাজত
তোমাক দেখিয়ে মৰণ লেখে!

পাৰে জানো ফুলে তোমাৰ কাষত
ৰূপৰ বড়াই কৰিব হেৰা,
ফুলে পালে ৰূপ জোনাকত নুই,
জোনে পালে তাকে তোমাৰ পৰা।

*

আজিও তোমাৰ আশ্বাস-বাণী
দূৰৰ প্ৰতীক্ষা-মৰুতে আছে,
তপত-বালুকে আৰুনো কিমান
সূৰুযে সদায় ঢাকোন যাচে!

বাঘৰ মুখলৈ' যোৱা যদি তুমি
লালসা লোভত ৰলিয়া হৈ,
শেহন্তৰত তুমিহে পৰিবা
মাটিৰ তলৰ পাটিত গৈ।

*

তোমাৰ চকুৱে জানিছে অকল
বঞ্চনা আৰু ছলনা বুধি,
দা-হে যেনিবা কৰে চিক্‌মিক্
ৰণৰ বাতৰি ঘনাই সুধি।

বিজুলী-বেগীয়া তোমাৰ চকুৱে
ঘটাব বিবাদ সখীৰ স'তে,
যি খনি হিয়াত শিল বৰষিছে
তাৰ কাৰণেই মৰিছো নিতে।

*

যাৰ পাছে পাছে উড়ে ববদৈ
দিয়া এই হাতে সেইটি পখী,
প্ৰিয়াৰ মিচিনা মিঠা-মাত দিয়া
প্ৰাণৰ উৎস দিয়াহে সখী।

কেকোঁৰা-কেকুৰি চুলি কোচা সো
শিকলিৰ দৰে খাইছে পাক,
তাকে আনি আজি দিয়াহি বান্ধে
কনকৰ থাৰু এই বলিয়াক।

*

মিলা হ'লে মোৰ মন্দ কপাল
মনেৰে ভৱাৰ নিচিনা কৈ,
নাইবা গ্ৰহৰ চকৰী আকৌ
ঘূৰা হ'লে মোৰে কুটুম হৈ—

তেতিয়া কিজানি যাওঁতে যৌৱন
থিতাতে হাতৰ মুঠিৰ পৰা,
ৰাখিলো হেতেন থৰে থৰে ধৰি
শ্যাম-সমাৰোহ, অমৰ ধৰা।

*

জীয়া-ফুল মোৰ দয়িতা প্ৰাণৰ,
এখনি দো-তাৰা, অলপ নিজান
পোৱাও একাঁহী, লগতে এবাটি
পকা আঙুৰৰ ৰসৰ দান,—

ভাকে পাগে মোৰ শিৰে শিৰে নাচি
জুই-আগনিৰ লাগিৰ ৰাগি,
কাৰো কৃপা মোক নালাগে তেতিয়া
নাযাওঁ কেনিও ভিক্ষা মাগি।

*

ফুলনি সোমাই দেখিলো সিদিনা
ৰাজ-আসনত বহিছে ফুল,
কলো,—শুনা, তুমি পাইছা যদিহে
ইমান প্ৰতিভা ৰজাৰ তুল,

নিপাপী কিশোৰ এই দুখীয়াকে
দহোঁতেও হায় ৰাতিয়ে দিনে,
সুছুলেনে পাপে সমূলিকে বাৰু,
আছা যে সদায় একেই চিনে?

*

বান্ধ খাই থকা ঠাৰিটিক ফুলে
ক'লে মোৰ এনে শকতি নাই,
নহলে এ'দিন পাওঁন্ত সুযোগ,
লগোগে' হেঁ'তন হাঁহিতে ঠাই

এনা-জগৰতে বিহিছে যেতিয়া
ইমান যাতনা, ইমান তাপ,
ঘাই দোষ পাই কিজানি ভৈয়াই
সপিলে হেঁতেন কিমান শাপ!

*

দূৰকপলীয়া মোৰে দৰে যদি
পৰিবো হেঁ'তন তেঁৱো, ই জালত
সুৰাৰ লগতে দিনে শতবাৰ
মৰিলে হেঁতেন অজিৰ কালত।

—সাতচল্লিশ—

হাফিজৰ সুৰ

বাটৰ বলিয়া, জুই খেলুৱাৰী,
অবিচাৰী মই প্ৰেমৰ দাস,
ৰহিলে জগত ৰটিব কু-যশ,
সেইহে সমূলি নাচাপোঁ কাষ !

*

হেৰেই হাফিজ.

আজি শেষ কৰ এই জীৱনৰ
ল'ৰা নিচুকোৱা গুলৈ বাজা,
সৰাপাত তুলি শিকিয়াত থোৱা
পালেহি সময় শেহৰ আজি।

এতিয়া যে তোৰ নিমাত হ'বৰ
পৰিছেহি পাল কঙাল হেৰেই,
টৈই-টুকি পেলা শূন্য গিলাচ,
ঢালিদে শেষৰ মদিৰা তেনেই।

বকুল-বন—১৮।১।৩৩

—সব শেষ—

জনপ্ৰিয় কবি —গণেশচন্দ্ৰ গগৈৰ

প্ৰিয়-পৰিজনক উপহাৰ দিবৰ আৰু পঢ়িবৰ

উপযোগী কিতাপ

১। ৰূপজ্যোতি—(কবিতাৰ পুথি) দাম খনে ২৲ টকা।

২। পাপৰি " " " ॥৵০ অনা

৩। স্বপ্নভঙ্গ " " " ।৵০ অনা

শ্ৰীযুত কুমুদচন্দ্ৰ বৰুৱাৰ

ধেমেলীয়া নাটক

১। বৰযাত্ৰী ... দাম খনে—॥০ অনা।

২। এশ দহ ধাৰা ... " " ॥০ অনা।

৩। ঊনৈশ-শ সাতত্ৰিশ ... " " ৷৹০ অনা।

কিতাপ পোৱাৰ ঠিকনা:—

মেনেজাৰ, বাতৰি প্ৰেছ, যোৰহাট,

আৰু

অন্যান্য ডাঙৰ কিতাপৰ দোকান।